# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-04-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে প্ৰচাৰ অভিযানো তীব্ৰতৰ হৈ উঠিছে।

২। চৰকাৰে গ্ৰীষ্মকালত বিদ্যুতৰ চাহিদা পূৰণৰ বাবে সকলো প্ৰয়োজনীয় পদক্ষেপ লৈছে।

৩। পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খ্ৱাজা আছিফে ভাৰতৰ সৈতে সম্পৰ্ক উন্নত হ'ব বুলি আশা প্ৰকাশ কৰিছে।

৪। ভাৰতত বিন্দিয়া ৰাণী দেৱীয়ে IWF বিশ্বকাপ ভাৰোত্তোলন প্ৰতিযোগিতাৰ মহিলাৰ ৫৯ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

*আৰু*

৫। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ২৮ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে প্ৰচাৰ অভিযানো তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসমূহত সক্ৰিয়ভাৱে প্ৰচাৰ চলাই আছে। বিজেপিয়ে যুদ্ধকালীন ক্ষীপ্ৰতাৰে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী আৰু বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কালি ৰাজস্থানৰ কোটপুতলিৰ সমীপত ৰাজ্যখনত নিজৰ প্ৰথমখন নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ কয় যে, বিজেপিয়ে ২০১৪ আৰু ২০১৯ চনৰ লোকসভা নিৰ্বাচনত ৰাজ্যখনৰ ২৫ খন আসনৰ আটাইকেইখনতে জয় লাভ কৰিছিল আৰু এইবাৰো দলে আটাইকেইখন আসনত বিজয় সাব্যস্ত কৰিব। শ্ৰীমোদীয়ে কয় যে, এইবাৰৰ নিৰ্বাচন সাধাৰণ নিৰ্বাচন নহয় বৰং বিকশিত ভাৰত বিকশিত ৰাজস্থানৰ নিৰ্বাচন।

আনহাতে কংগ্ৰেছৰ ৰাজ্যিক সভাপতি গোৱিন্দ সিং দোটাচাৰা, প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলট আৰু দলৰ জ্যেষ্ঠ নেতাসকলে কালি পালি আৰু যোধপুৰত দলীয় প্ৰাৰ্থীৰ মনোনয়ন সমদলক সম্বোধন কৰে। পালিত মনোনয়ন সমদলক সম্বোধন কৰি দোটাচাৰাই কয় যে, জনসাধাৰণে কেন্দ্ৰীয় চৰকাৰে বিগত ১০টা বছৰত কৰা কাম আৰু মনমোহন সিং চৰকাৰৰ কামৰ তুলনা কৰা উচিত।

ooooo

অৰুণাচল প্ৰদেশৰ কংগ্ৰেছ দলে কালি দেশৰ অষ্টাদশ লোকসভা আৰু ৰাজ্যখনৰ একাদশ বিধানসভাৰ বাবে সমান্তৰালকৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰে। ৰাজ্যখনৰ কংগ্ৰেছৰ সভাপতি তথা অৰুণাচল পশ্চিম লোকসভা আসনৰ প্ৰাৰ্থী নবাম টুকি, প্ৰাক্তন সাংসদ তথা দলৰ নিৰ্বাচনী প্ৰচাৰ সমিতিৰ অধ্যক্ষ তাকাম সঞ্জয়কে ধৰি অন্যান্য জ্যেষ্ঠ নেতাসকলে ইটানগৰত এই ইস্তাহাৰ উন্মোচন কৰে।

ইস্তাহাৰত নিবনুৱা যুৱক-যুৱতীসকলক চাকৰিৰ নিশ্চয়তা প্ৰদান কৰা, সকলো চৰকাৰী প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ক আৱাসিক বিদ্যালয়লৈ উন্নীতকৰণ, ছাত্ৰ-ছাত্ৰীৰ জলপানি দুগুণ কৰা, প্ৰতিখন জিলা সদৰত ছুপাৰ-স্পেচিয়েলিটি চিকিৎসালয় স্থাপন, ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ তৎকালীন বাতিল আৰু পুৰণি পেঞ্চন আঁচনি বাহাল কৰা, অষ্টম দৰমহা আয়োগৰ গঠন আৰু ইয়াক সময়মতে কাৰ্যকৰী কৰা, ঠিকাভিত্তিক আৰু জৰুৰীকালীন কৰ্মচাৰীৰ চাকৰি নিয়মীয়া কৰা আদি বিষয়সমূহক অগ্ৰাধিকাৰ দিয়া হৈছে।

ooooo

আম আদমী পাৰ্টীয়ে লোকসভা নিৰ্বাচনত পঞ্জাবৰ বিভিন্ন সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া দুগৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসাৰে ৰাজকুমাৰ চবেবৰালে হোচিয়াৰপুৰ আৰু মালৱিন্দৰ সিং কাঙে আনন্দপুৰ চাহিব সমষ্টিৰপৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব।

ooooo

চৰকাৰে গ্ৰীষ্মকালত বিদ্যুতৰ চাহিদা পূৰণৰ বাবে সকলো প্ৰয়োজনীয় পদক্ষেপ লৈছে। এই সন্দৰ্ভত শক্তি আৰু নতুন তথা নবীকৰণযোগ্য শক্তিমন্ত্ৰী আৰ. কে. সিঙে গ্ৰীষ্মকালত শূন্য বিদ্যুৎ কৰ্তন সুনিশ্চিত কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰি কালি নতুন দিল্লীত এলানি বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে তাপবিদ্যুৎ প্ৰকল্পসমূহৰ পূৰ্ণ সামৰ্থ্যৰ ব্যৱহাৰ সুনিশ্চিত কৰাৰ উদ্দেশ্যে আংশিক উৎপাদন বন্ধ হৈ থকা সকলো প্ৰকল্পৰ বিদ্যুৎ উৎপাদন সামৰ্থ্যৰ পৰ্যালোচনা চলায়। আংশিক উৎপাদন বন্ধ হৈ থকা সমস্যা হ্ৰাস পাইছে আৰু এনে সমস্যা সম্পূৰ্ণৰূপে বন্ধ কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে পৰামৰ্শ আগবঢ়োৱা হৈছে বুলি বৈঠকত উল্লেখ কৰা হয়। মন্ত্ৰীগৰাকীয়ে কালি বিদ্যুৎ উৎপাদন কোম্পানীসমূহৰ সৈতেও এখন বৈঠকত মিলিত হয় আৰু অ-ব্যৱহৃত হৈ থকা ৫ দশমিক ২ গিগাৱাট তাপ বিদ্যুৎ সামৰ্থ্যৰ স্থিতিৰ পৰ্যালোচনা চলায়। বতৰ বিজ্ঞান বিভাগে এইবাৰ গ্ৰীষ্মকালত দেশৰ উত্তৰ-পূব, উত্তৰ-পশ্চিম, মধ্য অংশ আৰু উপদ্বীপ অঞ্চলৰ একাংশ ঠাইৰ বাহিৰে বাকী অংশত সৰ্বোচ্চ আৰু সৰ্বনিম্ন তাপমাত্ৰা স্বাভাৱিকতকৈ অধিক হ'ব পাৰে বুলি আগলি বতৰা দিছে। সেয়েহে এইবেলি বিদ্যুৎ চাহিদাও পূৰ্বৰ তুলনাত অধিক হোৱাৰ সম্ভাৱনা আছে।

ooooo

পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খ্ৱাজা আছিফে ভাৰতৰ সৈতে সম্পৰ্ক উন্নত হ'ব বুলি আশা প্ৰকাশ কৰিছে। ইছলামাবাদৰ সংসদ ভৱনৰ বাহিৰত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰত আৰু পাকিস্তানৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ সুকীয়া পৃষ্ঠভূমি আছে। অৱশ্যে নিৰ্বাচনৰ পাছতহে এই সম্পৰ্ক উন্নত কৰিব পৰা যাব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। বিদেশ মন্ত্ৰী ডঃ এছ্ জয়শংকৰে পাকিস্তানে প্ৰায় উদ্যোগৰ দৰে সন্ত্ৰাসবাদৰো পৃষ্ঠপোষকতা কৰা বুলি আৰু ভাৰত বৰ্তমান সন্ত্ৰাসবাদীক আওকান কৰাৰ পক্ষপাতী নহয় বুলি মন্তব্য কৰাৰ কেইদিনমানৰ পাছতে পাকিস্তানৰ প্ৰতিৰক্ষামন্ত্ৰীগৰাকীয়ে এইদৰে বক্তব্য দিছে।

ooooo

বিধি বলবৎকাৰী সঞ্চালকালয়ে কালি দিল্লী উচ্চ ন্যায়ালয়ত সুৰা নীতিৰ গোচৰৰ সৈতে জড়িত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে গ্ৰেপ্তাৰ আৰু জিম্মাত ৰখাৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাই দিয়া আবেদনৰ উত্তৰ দাখিল কৰে। উত্তৰত সঞ্চালকালয়ে কেজৰিৱালৰ গ্ৰেপ্তাৰ বৈধ হিচাপে অভিহিত কৰি কয় যে তেওঁলোকে ক'লা ধন বৈধকৰণ প্ৰতিৰোধী আইনৰ ১৬ নম্বৰ ধাৰাত থকা সকলো পদ্ধতিগত প্ৰয়োজন বজাই ৰাখিছে। সঞ্চালকালয়ে সংবিধানৰ ২২ নম্বৰ অনুচ্ছেদৰ নিয়মো কঠোৰভাৱে পালন কৰা হৈছে বুলি উল্লেখ কৰে। সুৰা কেলেংকাৰীৰ গোচৰত যোৱা ২১ মাৰ্চত দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰা হৈছিল। ইতিমধ্যে অহা ১৫ এপ্ৰিললৈ তেওঁক তিহাৰ কাৰাগাৰত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে।

ooooo

বিধি বলৱৎকাৰী সঞ্চালকালয়ে দিল্লী জল বোৰ্ডৰ মুখ্য অভিযন্তা জগদীশ কুমাৰ আৰোৰা আৰু অন্যান্যসকলৰ পৰা প্ৰায় ৯ কোটি টকাৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি সাময়িকভাৱে বাজেয়াপ্ত কৰিছে। বাজেয়াপ্ত কৰা সকলো স্থাৱৰ সম্পত্তি দিল্লীৰ। বিধি বলৱৎকাৰী সঞ্চালকালয়ে ক'লা ধন বৈধকৰণ প্ৰতিৰোধী আইনৰ বিভিন্ন ব্যৱস্থাৰ অধীনত এই সম্পত্তিসমূহ বাজেয়াপ্ত কৰিছে। দিল্লী জল বোৰ্ডৰ দুৰ্নীতি সন্দৰ্ভত চি বি আইয়ে ৰুজু কৰা এজাহাৰৰ ভিত্তিত সঞ্চালকালয়ে তদন্ত আৰম্ভ কৰিছে। এজাহাৰত জগদীশ কুমাৰ আৰোৰাই ফ্ল মিটাৰৰ ঠিকা বৰ্ধিত দৰত এটা ব্যক্তিগত কোম্পানীক ৩৮ কোটি টকাত প্ৰদান কৰা বুলি অভিযোগ উত্থাপন কৰা হৈছে।

ooooo

ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি অৰিন্দম বাগচিয়ে কালি জেনেভাত বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান টেড্ৰ'ছ অধনোম ঘেব্ৰেয়াছাছক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত দুয়োগৰাকী নেতাই গোলকীয় স্বাস্থ্যৰ ক্ষেত্ৰত ভাৰত আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ সহযোগিতাকে ধৰি পৰম্পৰাগত ঔষধ আৰু ডিজিটীয় স্বাস্থ্যৰ বিষয়ে আলোচনা কৰে বুলি উল্লেখ কৰা হৈছে। বিদেশ মন্ত্ৰালয়ৰ প্ৰাক্তন মুখপাত্ৰ শ্ৰীবাগচীক বিগত অক্টোবৰত জেনেভাত ৰাষ্ট্ৰসংঘ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ ভাৰতৰ পৰৱৰ্তীগৰাকী স্থায়ী প্ৰতিনিধি হিচাপে নিযুক্তি দিয়া হৈছিল।

00000

ভাৰতত বিন্দিয়া ৰাণী দেৱীয়ে কালি থাইলেণ্ডৰ ফুকেটত অনুষ্ঠিত IWF বিশ্বকাপ ভাৰোত্তোলন প্ৰতিযোগিতাৰ মহিলাৰ ৫৯ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। কমনৱেলথ গেমছত ৰূপ পদক বিজেতা বিন্দিয়া ৰাণীয়ে মুঠ ১৯৬ কিলোগ্ৰাম ভাৰ উত্তোলন কৰি তৃতীয় স্থান দখল কৰে। উত্তৰ কোৰিয়াৰ কাং হ্যোন গ্যোঙে সোণৰ আৰু ৰোমানিয়াৰ কেম্বেই মিহেলা- ৱেলেণ্টিনাই ৰূপৰ পদক অৰ্জন কৰে। মণিপুৰৰ ২৫ বছৰীয়া খেলুৱৈগৰাকীয়ে ক্লিন এণ্ড জাৰ্ক শিতানত সৰ্বাধিক ১১৩ কিলোগ্ৰাম ভাৰ উত্তোলন কৰে। ইয়াৰ পূৰ্বে আঘাতৰ বাবে ৬ মাহ ধৰি খেলপথাৰৰ পৰা আঁতৰি থকা সতীৰ্থ খেলুৱৈ মীৰা বাই চানুৱে মহিলাৰ ৪৯ কিলোগ্ৰাম ওজন শাখাত দ্বাদশ স্থান লাভ কৰে।

00000

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱানিশা বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ২৮ ৰানত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুই ১৮২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ হৈ ময়ংক যাদৱে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৮১ ৰান কৰে। লক্ষ্ণৌৰ হৈ কুইণ্টন ডি ক'কে সৰ্বাধিক ৮১ ৰান কৰে।

প্ৰতিযোগিতাত আজি বিশাখাপট্টনমৰ ডি ৱাই এছ ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

00000

**সমাপ্ত**